# ভাৰত আৰু বাংলাদেশৰ মাজত সামুদ্ৰিক সীমা স্বেচ্ছাচাৰীতা সম্পৰ্কীয় ত্ৰিবুনেলৰ নিৰ্দেশ সন্দৰ্ভত সোধা সাংবাদিকৰ এক প্ৰশ্নৰ সহাৰি দিয়ে আনুষ্ঠানিক মুখপাত্ৰই ।

জুলাই ০৮,২০১৪

ভাৰত আৰু বাংলাদেশৰ মাজত সামুদ্ৰিক সীমা স্বেচ্ছাচাৰীতা সম্পৰ্কীয় ত্ৰিবুনেলৰ জাৰি কৰা নিৰ্দেশ সন্দৰ্ভত সোধা এক প্ৰশ্নৰ সন্দৰ্ভত আনুষ্ঠানিক মুখপাত্ৰ গৰাকীয়ে সহাৰি দি কয় যে :

"ইউ.এনৰ সমুদ্ৰৰ আইন সম্বন্ধীয় সন্মিলনৰ সপ্তম এনেক্সৰ(ইউএনচিএলওএচ) অৰ্ন্তগত গঠন হোৱা ভাৰত আৰু বাংলাদেশৰ মাজৰ সামুদ্ৰিক সীমা নিৰ্দ্ধাৰন সম্পৰ্কীয় স্বেচ্ছাচাৰী ত্ৰিবুনেলে ৭ জুলাই ২০১৪ তাৰিখে ইয়াৰ নিৰ্দেশ জাৰি কৰে ।আমি ত্ৰিবুনেলে জাৰি কৰা নিৰ্দেশনাক সন্মান কৰো আৰু এই নিৰ্দেশনা সম্পৰ্কে আৰু অভিযোগ সন্দৰ্ভত গৱেষনা কৰাৰ প্ৰক্ৰিয়াত আমি আগবাঢ়িছো ।

আমি বিশ্বাস কৰো যে সামুদ্ৰিক সীমা সম্পৰ্কীয় বিষয় সমুহৰ সিদ্ধান্তই আৰু দীৰ্ঘদিন ব্যাপী জমা হৈ থকা সমস্যা সমুহৰ চূড়ান্ত সমাধানৰ জৰিয়তে ভাৰত আৰু বাংলাদেশৰ মাজত পৰস্পৰৰ মাজত বুজাপৰাৰ আৰু সদিচ্ছা অধিক বৃদ্ধি পাব । এই সকলো সমস্যাৰ সমাধানে বঙ্গোপ সাগৰৰ এই পাৰে অৰ্থনৈতিক দিশত উন্নয়নৰ পথ মুকলি কৰিব আৰু ইয়াৰ দ্বাৰা দুয়োখন দেশে সুফল লাভ কৰিব ।"

জুলাই ৮,২০১৪